সঞ্জয় কুমাৰ

বনাম

বিহাৰ চৰকাৰ আৰু অন্য এক

মহামান্য ন্যায়াধীশ- এম. জগন্নাথ ৰাও আৰু দোৰাইস্বামী ৰাজু,

সেৱা আইন- অনুকম্পামূলক নিযুক্তি- উদ্দেশ্য - অনুকম্পামূলক নিযুক্তি হৈছে এজন মৃত কৰ্মচাৰীৰ পৰিয়ালক তেওঁৰ মৃত্যুৰ ফলত সৃষ্টি হোৱা আকস্মিক সংকটৰ সময়ত সহায় কৰাৰ বাবে লোৱা এক ব্যৱস্থা কিয়নো মৃত কৰ্মচাৰীজন, যিজন একমাত্ৰ উপাৰ্জনকাৰী আছিল, তেওঁ পৰিয়ালটোক দৰিদ্ৰ অৱস্থাত এৰি থৈ গৈছে আৰু তেওঁলোকৰ আৰ্থিকভাৱে নিজকে বহন কৰাৰ কোনো উপায় নাই- চাকৰি কৰি থকা অৱস্থাত কৰ্মচাৰীৰ মৃত্যু- মৃত কৰ্মচাৰীৰ পুত্ৰই অনুকম্পামূলক নিযুক্তিৰ বাবে কৰা আবেদন- আবেদন কৰা তাৰিখত পুত্ৰ নাবালক হোৱাৰ বাবে নিযুক্তিৰ বাবে যোগ্য নহয় - নিযুক্তিৰ বাবে কৰা অনুৰোধ নাকচ – লেখ আবেদন – উচ্চ ন্যায়ালয়ে খাৰিজ কৰিছে – উচ্চতম ন্যায়ালয়ত আবেদন – ৰায় প্ৰদান কৰা হয় যে কিছুমান নিৰ্দিষ্ট বিধানৰ অবিহনে আবেদনকাৰী প্ৰাপ্তবয়স্ক নোহোৱালৈকে খালী পদৰ সংৰক্ষণ কৰি ৰাখিব নোৱাৰি।

চন্দ্ৰ ভূষণ বনাম বিহাৰ চৰকাৰ, (১৯৯৭) ১ পি এল জে আৰ ৬২৬ গোচৰত কৰা আবেদন অগ্ৰাহ্য কৰা হৈছিল।

শিক্ষা সঞ্চালক আৰু অন্য এজন বনাম পুষপেন্দৰ কুমাৰ আৰু অন্যান্য , (১৯৯৮) ২ পি এল জে আৰ এছ চি ১৮১ গোচৰৰ উল্লেখ কৰা হৈছে।

দেৱানী আপীল অধিকাৰক্ষেত্ৰ: ২০০০ চনৰ বিশেষ অনুমতিৰ আবেদন (দেৱানী) নম্বৰ ১২৮৭৬

এল.পি.এ. ১৯৯৯ চনৰ ১১94 নম্বৰত পাটনা উচ্চ ন্যায়ালয়ৰ ১০.৩.২০০০ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা:

এম.পি. ভাৰ্মা, আৰ পি সিং, শ্ৰীমতী অৰ্পিতা পাণ্ডে আৰু কৃষ্ণানন্দ পাণ্ডে- আবেদনকাৰীৰ হৈ।

আদালতৰ তলত দিয়া আদেশ দিয়া হৈছিল :

আবেদনকাৰীৰ বয়স যেতিয়া ১০ বছৰ আছিল, তেতিয়া আবকাৰী কনিষ্টবল হিচাপে কাম কৰি থকাৰ তেওঁৰ মাতৃৰ মৃত্যু হৈছিল । মাতৃৰ মৃত্যুৰ কিছু সময়ৰ পিছতে অৰ্থাৎ ২.৬.১৯৮৮ তাৰিখে আবেদনকাৰীয়ে অনুকম্পামূলক নিযুক্তি বিচাৰি আবেদন জনায়। তামাদী দোষেৰে দোষিত হোৱা বাবে সেই আবেদন ১০.১২. ১৯৯৬ তাৰিখে অগ্ৰাহ্য কৰা হয়। ২৬.১২.৯৬ তাৰিখে পুনৰ এখন আবেদন দাখিল কৰা হৈছিল আৰু সেইখনো ২১.৪.১৯৯৭ তাৰিখে একে কাৰণতে নাকচ কৰা হৈছিল । উক্ত আদেশৰ বিৰুদ্ধে আবেদনকাৰীয়ে উচ্চ ন্যায়ালয়ত আপীল কৰে। উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে ১৯৯৯ চনৰ ২৪ আগষ্টত এই লেখ আবেদন নাকচ কৰে আৰু এই সিদ্ধান্ত ২০০০ চনৰ ১০ মাৰ্চত খণ্ড বিচাৰপীঠে সেইয়া সমৰ্থন কৰে। সেই ৰায়ৰ বিৰুদ্ধে এই বিশেষ অনুমতিৰ আবেদন দাখিল কৰা হৈছে। আবেদনকাৰীৰ হৈ যুক্তি প্ৰদৰ্শন কৰা বিদ্বান জ্যেষ্ঠ অধিবক্তাই চন্দ্ৰ ভূষণ বনাম বিহাৰ চৰকাৰ, (১৯৯৭) ১ পি এল জে আৰ ৬২৬ গোচৰত পাটনা উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠৰ সিদ্ধান্তৰ ওপৰত দৃঢ়ভাবে নিৰ্ভৰ কৰিছে। বিদ্বান জ্যেষ্ঠ অধিবক্তাই আলোকপাত কৰে যে উল্লেখিত গোচৰটোত নিৰ্ধাৰণ কৰা হৈছিল যে কৰ্তৃপক্ষৰ ফলত হোৱা বিলম্বৰ বাবে আবেদনকাৰীৰ অধিকাৰ বাতিল কৰিব নোৱাৰি, বিশেষকৈ যদিহে সেই বিলম্ব হোৱা কাৰ্য্য আবেদনকাৰীৰ নিয়ন্ত্ৰণৰ বাহিৰত আছিল। বিদ্বান জ্যেষ্ঠ অধিবক্তাই আৰু আঙুলিয়াই দিয়ে যে ওপৰৰ ৰায়দান অনুসৰণ কৰাৰ পৰিৱৰ্তে একেজন বিদ্বান ন্যায়াধীশে এতিয়া ২১.৪.১৯৯৭ তাৰিখে আবেদনখন তামাদী দোষেৰে দোষিত বুলি ৰায় প্ৰদান কৰিছে। বিজ্ঞ অধিবক্তাই আমাৰ সন্মুখত শিক্ষা সঞ্চালক আৰু অন্য এজন বনাম পুষপেন্দ্ৰ কুমাৰ আৰু অন্যান্য , (১৯৯৮) ২ পি এল জে আৰ এছ চি ১৮১ গোচৰত এই আদালতে প্ৰদান কৰা ৰায় উপস্থাপন কৰিছে। তেওঁ দাবী কৰে যে এই গোচৰত অতিৰিক্ত পদ সৃষ্টিৰ নিৰ্দেশনা দিয়া হৈছিল।

আবেদনকাৰীক হৈ যুক্তি প্ৰদৰ্শন কৰা জ্যেষ্ঠ অধিবক্তাই উপস্থাপন কৰা যুক্তিৰ সৈতে আমি একমত নহয়। এই আদালতে বহুতো গোচৰৰ ক্ষেত্ৰত ৰায় প্ৰদান কৰিছে যে অনুকম্পামূলক নিযুক্তি হৈছে এজন মৃত কৰ্মচাৰীৰ পৰিয়ালক তেওঁৰ মৃত্যুৰ ফলত সৃষ্টি হোৱা আকস্মিক সংকটৰ সময়ত সহায়

কৰাৰ বাবে লোৱা এক ব্যৱস্থা  কিয়নো মৃত কৰ্মচাৰীজন, যিজন একমাত্ৰ উপাৰ্জনকাৰী আছিল, তেওঁ পৰিয়ালটোক দৰিদ্ৰ অৱস্থাত  এৰি থৈ গৈছে আৰু তেওঁলোকৰ আৰ্থিকভাৱে নিজকে বহন কৰাৰ কোনো উপায় নাই। দৰাচলতে তেনে এক মতামতেই শিক্ষা সঞ্চালক আৰু অন্য এজন বনাম পুষ্পেন্দ্ৰ কুমাৰ আৰু অন্যান্  গোচৰত লোৱা হৈছে, যিটো গোচৰৰ বিষয়ে আবেদনকাৰীয়ে উপৰত উল্লেখ কৰিছে। এইটোও মন কৰিবলগীয়া যে ২.৬.৮৮ তাৰিখে যেতিয়া আবেদনকাৰীয়ে প্ৰথম আবেদন কৰিছিল তেতিয়া আবেদনকাৰীজন নাবালক আছিল আৰু নিযুক্তিৰ বাবে যোগ্য নাছিল।  এই কথা আবেদনকাৰীয়ে স্বীকাৰ কৰিছে ।  কিছুমান নিৰ্দিষ্ট বিধান  ৰ  অবিহনে আবেদনকাৰী  প্ৰাপ্তবয়স্ক নোহোৱালৈকে খালী পদৰ সংৰক্ষণ  কৰি ৰাখিব নোৱাৰি। অনুকম্পামূলক নিযুক্তিৰ মূল ভিত্তিটোৱেই হ'ল পৰিয়ালটোৱে যাতে তৎক্ষণাত সকাহ পায়। গতিকে চন্দ্ৰ ভূষণৰ গোচৰত লোৱা মতামতৰ সৈতে আমি একমত হ'ব পৰা নাই।

পূৰ্বে উল্লেখ কৰা কাৰণসমূহৰ ভিত্তিত আমি এই সিদ্ধান্তত উপনীত হওঁ যে এই বিশেষ  অনুমতিৰ আবেদনৰ কোনো বৈধ ভিত্তি নাই আৰু সেয়েহে সেইখন খাৰিজ কৰা হ'ল।

আবেদন খাৰিজ কৰা হ'ল।

অনুবাদ: মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়